**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2026
**Time :** 1340 Hrs.

***Assamese MIDDAY Bulletin***
**::::::::::::::::::::::::::::::::**

১। নতুন দিল্লীৰ তিনমূৰ্তি ভৱনৰ ব্লক ৰানত আজি প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয় আৰু পুথিভঁৰাল (PMML)ৰ নতুন দৰ্শনাৰ্থী বিপণী মুকলি কৰা হ’ব।

২। ভাৰত আৰু আছিয়ান দেশসমূহে এখন শান্তিপূৰ্ণ, স্থিৰ আৰু মুক্ত ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডৰ কথা সমভাৱে চিন্তা কৰে বুলি মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দুদিনীয়া ভ্ৰমণসূচীৰে অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাড়ালৈ ৰাওনা হ’ব।

৪। ভাৰতত ২০১৫ৰ পৰা ২০২৪ চনৰ সময়ছোৱাত যক্ষ্মা ৰোগীৰ সংখ্যা ২১ শতাংশলৈ হ্ৰাস পাইছে। *আৰু*

৫। হায়দৰাবাদত আজি ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল অনুষ্ঠিত হ’ব।

ooooo

নতুন দিল্লীৰ তিনমূৰ্তি ভৱনৰ ব্লক ৰানত আজি প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয় আৰু পুথিভঁৰাল (PMML)ৰ নতুন দৰ্শনাৰ্থী বিপণী মুকলি কৰা হ’ব। কাৰ্য নিৰ্বাহক সমিতিৰ অধ্যক্ষ নৃপেন্দ্ৰ মিশ্ৰই এই বিপণী আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। সংগ্ৰহালয়লৈ অহা দৰ্শনাৰ্থীসকল ইয়াৰ দ্বাৰা উপকৃত হ’ব বুলি আশা কৰা হৈছে। এই বিপণীলৈ অহা দৰ্শনাৰ্থীসকলক লঘু আহাৰেৰে আপ্যায়িত কৰা হ’ব। ইয়াত আমূলৰ ৪০০ বিধতকৈও অধিক সামগ্ৰী উপলব্ধ হ’ব।

ooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে ভাৰত আৰু আছিয়ান দেশসমূহে এখন শান্তিপূৰ্ণ, স্থিৰ আৰু মুক্ত ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডৰ কথা সমভাৱে চিন্তা কৰে। নতুন দিল্লীত আজি পুৱা আছিয়ান-ভাৰত প্ৰতিৰক্ষা বিশেষজ্ঞ মঞ্চৰ অনুষ্ঠানত ভাষণ দি শ্ৰীসিঙে কয় যে আছিয়ান হৈছে ভাৰতৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ কেন্দ্ৰবিন্দু। তেওঁ লগতে ভাৰতৰ এক্ট-ইষ্ট পলিচি দক্ষিণ-পূব এছিয়াৰ সৈতে সম-অংশীদাৰ হিচাপে কাম কৰাৰ দিশত দীৰ্ঘকালীন প্ৰতিশ্ৰুতিবদ্ধতা বুলি উল্লেখ কৰে।

বাইট (ৰাজনাথ)-১

শ্ৰীসিঙে কয় যে ভাৰত মহাসাগৰ আৰু দক্ষিণ-পূব এছিয়াৰ জলৰাশি পৰস্পৰ সংযোজিত সামুদ্ৰিক ক্ষেত্ৰ হোৱাৰ বাবে ইয়াৰ নিৰাপত্তা উমৈহতীয়া দায়িত্ব হৈ পৰে। ২০২৬ চনক আছিয়ান-ভাৰত সামুদ্ৰিক সহযোগিতা বৰ্ষ হিচাপে স্বীকৃতি দিয়াৰ প্ৰসংগ উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সামুদ্ৰিক ক্ষেত্ৰৰ সজাগতা

বৃদ্ধি, তথ্যৰ আদান-প্ৰদান উন্নত কৰা আৰু জৰুৰীকালীন অৱস্থা, সামুদ্ৰিক লুট-পাট আৰু অবৈধভাৱে মাছ ধৰাৰ বিৰুদ্ধে সামূহিক সামৰ্থ গঢ়ি তোলাৰ বাবে আহ্বান জনায়।

শ্ৰীসিঙে ঐতিহাসিক দিশত আলোকপাত কৰি কয় যে চ'ল আৰু পল্লৱকে ধৰি প্ৰাচীন ভাৰতীয় সাম্ৰাজ্যসমূহে দক্ষিণ-পূব এছিয়াৰ সৈতে বাণিজ্য আৰু সামুদ্ৰিক সম্বন্ধ বৰ্তাই ৰাখিছিল আৰু এই সম্পৰ্কই বৰ্তমানৰ আধুনিক অংশীদাৰিত্বৰ বাবে শক্তিশালী ভেটি প্ৰদান কৰিছে। তেওঁ কয় যে বিশেষজ্ঞসকলে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালনেৰে উমৈহতীয়া বিষয়সমূহ বুজি পোৱাত আৰু প্ৰত্যাহ্বানসমূহ সংকটলৈ পৰিণত হোৱাৰ পূৰ্বে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণত চৰকাৰক সহায় কৰিব পাৰে।

০০০০০০০

সহমত, পাৰস্পৰিক বুজাবুজি আৰু উমৈহতীয়ো স্বাৰ্থৰক্ষাই বিশ্ব প্ৰেক্ষাপটত অৰ্থনৈতিক, সামৰিক আৰু কূটনৈতিক প্ৰভাৱ পেলাব পৰা মধ্যম শক্তিৰ ৰাষ্ট্ৰসমূহৰ নীতি বলবৎ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ব্লুমবাৰ্গ নতুন অৰ্থনীতি মঞ্চৰ বৈঠকত তেওঁ কয়, যে সম্প্ৰতি এখন দেশে আন এখন দেশক ভাবুকিৰ জৰিয়তে দমন কৰাৰ দিন উকলি গৈছে। বিশ্ব সম্প্ৰতি নতুন আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ দিশে অগ্ৰসৰ হৈছে আৰু এই ক্ষেত্ৰত গোলকীয় বিষয়সমূহত পূৰ্বতকৈ অধিক সংখ্যক দেশে ভূমিকা গ্ৰহণ কৰিছে বুলি তেওঁ কয়। এই ৰূপান্তৰক শৃংখলাৰ পৰা বিশৃংখলতা বুলি কোৱাৰ পৰিৱৰ্তে অন্য ধৰণৰ শৃংখলা বুলি অভিহিত কৰিব পাৰি বুলিও তেওঁ মন্তব্য কৰে। ড০ জয়শংকৰে কয় যে ভাৰতে নিজক মধ্যম শক্তিৰ দেশ হিচাপে নহয়, বৰং এই দেশসমূহৰ মাজত অন্যতম শক্তি  হিচাপে পৰিগণিত কৰিবলৈ সমৰ্থ হৈছে। বিশ্বৰ সৰ্বাধিক জনসংখ্যা থকা দেশখনত মুঠ ঘৰুৱা উৎপাদন ৪ ট্ৰিলিয়ন ডলাৰৰো অধিক হোৱাটোৱে বিকাশৰ সম্ভাৱনা বহন কৰে বুলি তেওঁ কয়।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ জাহাজ নিৰ্মাণ উদ্যোগক সহায় কৰিবলৈ ৰাষ্ট্ৰীয় জাহাজ নিৰ্মাণ অভিযানৰ উদ্যোগত দুটা বিশেষ ঋণ বিপদ বীমা ঘোষণা কৰিছে। মুম্বাইত অনুষ্ঠিত একবিংশ সামুদ্ৰিক ৰাজ্য উন্নয়ন পৰিষদৰ বৈঠকত ভাষণ দি শ্ৰী সোণোৱালে কয়, যে জাহাজ নিৰ্মাণ প্ৰকল্পই ঋণ বিপদ বীমা নীতিৰে ৰপ্তানি প্ৰকল্পসমূহক সামৰি ল'ব। আনহাতে, ব্যৱসায়িক ঋণ নীতিৰ জৰিয়তে জাহাজ নিৰ্মাতাই ঘৰুৱা প্ৰকল্পসমূহ সুৰক্ষা দিব।

জাহাজ নিৰ্মাণ এটা বৃহৎ আৰু কেইবাবছৰীয়া কাম বুলি অভিহিত কৰি শ্ৰী সোণোৱালে কয়, যে চৰকাৰে বীমা প্ৰিমিয়ামত ৰাজ সাহায্য প্ৰদান কৰিব আৰু জাহাজ নিৰ্মাণ কাৰখানাৰ ক্ষেত্ৰত বীমা কোম্পানীসমূহক প্ৰত্যক্ষ সহায় আগবঢ়াব। তেওঁ কয়, যে বিশ্বৰ বজাৰৰ পৰিৱেশ হঠাৎ পৰিৱৰ্তন হোৱাৰ ফলত জাহাজ নিৰ্মাণ কাৰখানাসমূহক বিশ্বমানৰ জাহাজ নিৰ্মাণ কৰিবলৈ সহায় আগবঢ়োৱাটোৱেই চৰকাৰৰ লক্ষ্য।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দুদিনীয়া ভ্ৰমণসূচীৰে অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাড়ালৈ ৰাওনা হ'ব। আজি বিয়লি ৰাষ্ট্ৰপতিগৰাকীয়ে বিজয়ৱাড়াৰ শ্ৰী কনকা দুৰ্গা মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব। শ্ৰীমতী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰীয় চৰচ মেলা, ২০২৬ উদ্বোধন কৰিব। এই মেলা অন্ধ্ৰ প্ৰদেশ চৰকাৰৰ সহযোগত গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ উদ্যোগত আয়োজন কৰা হৈছে। এই মেলাত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ

আত্মসহায়ক গোটৰ প্ৰায় ডেৰ হাজাৰ মহিলাই অংশগ্ৰহণ কৰিব। চৰচ মেলা, ২০২৬-এ মহিলা উদ্যোগীসকলক তেওঁলোকৰ উৎপাদিত পৰম্পৰাগত শিল্প সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত এখন বৃহৎ বজাৰৰ সুবিধা প্ৰদান কৰাৰ আশা কৰা হৈছে।

ooooo

ভাৰতত ২০১৫ৰ পৰা ২০২৪ চনৰ সময়ছোৱাত যক্ষ্মা ৰোগীৰ সংখ্যা ২১ শতাংশলৈ হ্ৰাস পাইছে। সমগ্ৰ বিশ্বৰ তুলনাত এই হাৰ হৈছে ১২ শতাংশ। এটা চৰকাৰী বিবৃতিত প্ৰকাশ পোৱা মতে, দেশত যক্ষ্মা ৰোগীক চিকিৎসা প্ৰদানৰ হাৰো ৯২ শতাংলৈ বৃদ্ধি পাইছে। চৰকাৰে ৰোগৰ পৰীক্ষাৰ সম্প্ৰসাৰণ, উন্নত প্ৰযুক্তি আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে যক্ষ্মা ৰোগ নিৰ্মূল কৰাৰ দিশত ব্যাপক প্ৰচেষ্টা গ্ৰহণ কৰিছে। বিবৃতিটোত প্ৰকাশ পোৱা মতে, যক্ষ্মামুক্ত ভাৰত অভিযানৰ অধীনত ২৮ কোটিৰো অধিক লোকৰ পৰীক্ষা কৰোৱাৰ লগতে ২০ লাখৰো অধিক ৰোগীয়ে যক্ষ্মা প্ৰতিৰোধ চিকিৎসা সেৱা লাভ কৰিছে আৰু ৫ লাখ ৭০ হাজাৰ নতুন নিক্ষয় মিত্ৰই এই প্ৰচেষ্টাত অংশগ্ৰহণ কৰিছে। যক্ষ্মা ৰোগ সন্দৰ্ভত তৃণমূল পৰ্যায়ত সজাগতা শক্তিশালী কৰাৰ বাবে কালি ১১ খন ৰাজ্য আৰু ৫৫ খন জিলাত জইণ্ট স্কোৱাড ফৰ হেল্থ চমুকৈ জ'ছ্ শীৰ্ষক অভিযান মুকলি কৰা হয়। এই অভিযানৰ জৰিয়তে মাই ভাৰত স্বেচ্ছাসেৱী, এন চি চি কেডেট আৰু চৰকাৰী বিষয়াসকলে একেলগ হৈ যক্ষ্মা ৰোগৰ আগতীয়া চিনাক্তকৰণ, সময়মতে চিকিৎসা আৰু এই ৰোগৰ প্ৰতি থকা মানুহৰ ধাৰণাৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছে।

ooooo

শাৰদীয় নৱৰাত্ৰিৰ আজি চতুৰ্থ দিনা দেৱীক কুষ্মাণ্ডা ৰূপত পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত দেৱী কুষ্মাণ্ডাৰ অন্তহীন শক্তিয়ে জনসাধাৰণৰ মনলৈ নতুন আশা, সুখ আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ কামনা কৰে।

কাইলৈ স্কন্দমাতা আৰু পৰহিলৈ কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে, শনিবাৰে ষষ্ঠীৰ সন্ধিয়া দেৱীক, বেদীত প্ৰতিষ্ঠা কৰা হ'ব। সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক পূজা কৰাৰ পাছত দশমীত দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হ'ব। ধৰ্মীয় বিশ্বাস অনুসৰি এইবাৰ দেৱীয়ে ঘোঁৰাত আগমন কৰিছে আৰু নৌকাৰে গমন কৰিব।

ooooo

দিল্লীৰ বিশেষ কাৰ্যবাহী দণ্ডাধীশৰ আদালতে আজি ককৰোচ জনতা পাৰ্টীৰ নেতা সৌৰভ দাস আৰু আশুতোষ ৰাংকাক পাঁচদিনৰ ন্যায়িক জিম্মালৈ পঠোৱাৰ লগতে আন এজন চি জে পিৰ নেতা আজিংক্যা সিন্দেক ব্যক্তিগত বণ্ডত মুকলি কৰি দিছে। যন্তৰ মন্তৰক প্ৰতিবাদস্থলী হিচাপে বন্ধ কৰি দিয়াৰ এদিন পাছতেই তিনিওগৰাকী নেতাই প্ৰৱেশৰ চেষ্টা কৰাৰ অভিযোগত দিল্লী আৰক্ষীয়ে তেওঁলোকক আটক কৰিছে।

আৰক্ষী সূত্ৰই জনোৱা মতে এই নেতাকেইজনে কালি বলপূৰ্বকভাৱে গে'টৰ বন্ধ তলা ভাঙি বেৰিকেড পাৰ হৈ যন্তৰ মন্তৰ স্থলীত প্ৰৱেশ কৰিছিল। আদেশ অমান্য আৰু বেআইনীভাৱে সমবেত হোৱাৰ অভিযোগত তিনিওগৰাকী নেতাৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰা হৈছিল। প্ৰাৰম্ভিক অৱস্থাত তিনিওগৰাকীকে জাফৰপুৰ কালান থানালৈ লৈ যোৱা হৈছিল আৰু পৰৱৰ্তী সময়ত আজি সংসদ মাৰ্গ থানালৈ স্থানান্তৰ কৰা

হয়। তিনিওজন নেতাকে নিশা পৰ্যন্ত তেওঁলোকৰ অধিবক্তাক লগ কৰিবলৈ দিয়া হোৱা নাই বুলি চি জে পিৰ আইনী পৰিক্ৰমা প্ৰধান ৰন্না সিঙে অভিযোগ উত্থাপন কৰে।

ইয়াৰ পূৰ্বেও মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়ত তিনিওগৰাকী নেতাক আটক কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত তেওঁলোকক মুকলি কৰি দিয়া হৈছিল।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত চলি থকা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ইন্দোৰত যোৱা দেওবাৰে অনুষ্ঠিত তৃতীয়খন খেলত আলহী দলটোক ১৪ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ভাৰতে ইতিমধ্যে শৃংখলাত ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

ooooo

সমাপ্ত